### 3.6.1 Brochures of the Activities*

| Sl. No. | Activities | Year |
|---|---|---|
| 1 | Achyut Lahkar Drama Evening | 2019 |
| 2 | Documentary_on Moi Ji Batere Ulalu Aaji | 2019 |
| 3 | Round table conference Flood Erosion Brochure | 2018 |
| 4 | Krishna Kanta Handiqui National Award | 2018 |
| 5 | Documentary on A Neglected Battle | 2018 |
| 6 | Achyut Lahkar Drama Evening | 2018 |
| 7 | Achyut Lahkar Drama Evening | 2017 |
| 8 | Krishna Kanta Handiqui National Award and National Fellowship | 2017 |

* Brochures of the activities are attached below

# অচ্যুত লহকৰ সোঁৱৰণী নাট্যসন্ধ্যা

মহোদয়,

আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ বাটকটীয়া, মঞ্চপ্ৰভাকৰ অচ্যুত লহকৰদেৱৰ প্ৰতি শ্ৰদ্ধা জনাই তেখেতৰ মৃত্যু দিৱস ১২ জুন তাৰিখে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে বিগত দুবছৰে 'অচ্যুত লহকৰ সোঁৱৰণী নাট্যসন্ধ্যা' উদ্‌যাপন কৰি আহিছে। এই বছৰ অনুষ্ঠিত হ'বলগীয়া নাট্যসন্ধ্যাটিত ইনলি ফাউণ্ডেচনে নয়ন প্ৰসাদৰ পৰিচালনাৰে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ এজাক জোনাকীৰ জিলমিল শীৰ্ষক নাটকখন মঞ্চস্থ কৰিব।

উক্ত নাট্যসন্ধ্যালৈ আপোনাক/আপোনাসবক সাদৰেৰে নিমন্ত্ৰণ জনালোঁ। আপোনালোকৰ উপস্থিতিয়ে আমাৰ এই প্ৰচেষ্টাক সাফল্যমণ্ডিত কৰি তুলিব। ধন্যবাদ সহকাৰে —

অৰূপজ্যোতি চৌধুৰী

*পঞ্জীয়ক*

*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়*

স্থান ঃ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী

দিনাঙ্ক ঃ ১২ জুন, ২০১৯ • সময় ঃ সন্ধ্যা ৬.০০ বজা • নাটকৰ দৈৰ্ঘ্য ঃ ৮০ মিনিট

প্ৰৱেশ বিনামূলীয়া

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গুৱাহাটী ● অসম

## —— সাদৰ নিমন্ত্ৰণ ——

শিল্পৰ সাধনা জীৱন সংগ্ৰামৰ এক নিৰ্মোহ্ দলিল। সৌন্দৰ্যৰ আৰাধনা আৰু জনমানসত আদৰণীয় আসনৰ অধিকাৰী হোৱাটো শিল্পীৰ সফলতা। বীৰেন সিংহ উত্তৰ-পূব ভাৰতৰ ভাস্কৰ্য শিল্পৰ এটা প্ৰতিষ্ঠিত, বহুজন সমাদৃত নাম। তেওঁৰ জীৱন সংগ্ৰাম আৰু ভাস্কৰ্য জগতত অৰ্জন কৰা দক্ষতাৰ প্ৰতি লক্ষ্য ৰাখি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে— **মই যি বাটেৰে ওলালো আজি**— শীৰ্ষক এখন তথ্যচিত্ৰ নিৰ্মাণ কৰি উলিয়াইছে। বিশ্ববিদ্যালয়খনে আশা কৰিছে যে উচ্চ শিক্ষাৰ সামাজিক দায়বদ্ধতাৰ চানেকিৰূপে নিৰ্মাণ কৰি উলিওৱা এই তথ্যচিত্ৰই সমাজৰ বিভিন্নজনৰ সন্মুখত শিল্পীজনাৰ জীৱন-কৰ্মৰ এক খতিয়ান দাঙি ধৰিব আৰু অপৰিসীম অনুপ্ৰেৰণাৰ উৎসৰূপে সকলোৰে তেখেতৰ জীৱন-যাত্ৰাক অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

অহা ৮ জানুৱাৰী, ২০১৯ তাৰিখে বিয়লি ৩.০০ (তিনি) বজাত জ্যোতি চিত্ৰবন চৌহদৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত উক্ত তথ্যচিত্ৰৰ এক বিশেষ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত উপস্থিত থাকি দৰ্শকৰ সৈতে মত-বিনিময় কৰিব আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক শ্ৰীযুত জাহ্নু বৰুৱাদেৱে। উক্ত অনুষ্ঠানলৈ আপোনাক সাদৰেৰে নিমন্ত্ৰণ জনালো।

ভৱদীয়—

অৰূপজ্যোতি চৌধুৰী
পঞ্জীয়ক

- তথ্যচিত্ৰ প্ৰদৰ্শনীৰ স্থান ঃ
  ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহ, জ্যোতি চিত্ৰবন
  কাহিলিপাৰা, গুৱাহাটী
- দিনাংক ঃ ৮ জানুৱাৰী, ২০১৯ (মঙলবাৰ)
- সময় ঃ বিয়লি ৩:০০ (তিনি) বজা
- তথ্যচিত্ৰৰ দৈৰ্ঘ্য ঃ ৪০ মিনিট

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গুৱাহাটী ● অসম

## —— সাদৰ নিমন্ত্ৰণ ——

অসমৰ এক জ্বলন্ত সমস্যা হ'ল বানপানী আৰু গৰাখহনীয়া। এই সমস্যাৰ সমাধান তথা সহাৰস্থানৰ বাবে এক বিকল্পধৰ্মী তথা নতুন চিন্তা-চৰ্চাৰ উদ্দেশ্যেৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনস্থ বাণীকান্ত কাকতি গৱেষণা কেন্দ্ৰৰ উদ্যোগত অহা মাৰ্চ ৪, ২০১৮ (দেওবাৰ) তাৰিখে দিনৰ ১০:০০ বজাৰ পৰা এক **—ঘূৰণীয়া মেজমেল—**ৰ আয়োজন কৰা হৈছে। ইয়াত আমাৰ ৰাজ্যখনৰ তিনিগৰাকী বিশিষ্ট বিশেষজ্ঞই মূল বক্তব্য আগবঢ়াব। তেখেতসকলৰ লগতে বিভিন্ন সংগঠনৰ নেতা, বানপানী আৰু গৰা খহনীয়াত ক্ষতিগ্ৰস্ত অঞ্চলত কাম কৰি থকা চৰকাৰী তথা বেচৰকাৰী বিষয়া আৰু ব্যক্তিয়ে এই মেজমেলত অংশগ্ৰহণ কৰি নিজৰ অভিজ্ঞতাৰ কথা ব্যক্ত কৰিব।

এই মেজমেলত আপোনাৰ উপস্থিতি আৰু বহুমূলীয়া পৰামৰ্শ কামনা কৰি এই পত্ৰযোগে আপোনাক সাদৰেৰে আমন্ত্ৰণ কৰিলোঁ। আশা কৰো আপুনি আমাৰ অনুৰোধ ৰক্ষা কৰি অসমৰ এটা অতিকৈ জটিল সমস্যা সমাধানৰ ক্ষেত্ৰত নিজৰ বক্তব্য আগবঢ়াব। ইতি—

ভৱদীয়—

অৰূপজ্যোতি চৌধুৰী
ভাৰপ্ৰাপ্ত পঞ্জীয়ক

মেজমেলৰ স্থান ঃ
Indian Institute of Bank Management
খানাপাৰা, গুৱাহাটী
দিনাংক ঃ ৪ মাৰ্চ, ২০১৮ (দেওবাৰ)
সময় ঃ পুৱা ১০:০০ ৰ পৰা বিয়লি ২:০০ বজালৈ

Scanned with CamScanner

# কাৰ্যসূচী

তাৰিখ ঃ মাৰ্চ ০৪, ২০১৮

স্থান ঃ Indian Institute of Bank Management

- ১০:০০-১০:১০ ঃ বিষয়বস্তু উত্থাপন
- ১০:১০-১০:১৫ ঃ অতিথি সম্বৰ্ধনা
- ১০:১৫-১০:২৫ ঃ উপাচাৰ্যৰ ভাষণ
- ১০:২৫-১১:০৫ ঃ ড° অৰনী কুমাৰ ভাগৱতী
  অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
- ১১:০৫-১১:২৫ ঃ উপস্থিত অংশগ্ৰহণকাৰীৰ মন্তব্য
- ১১:২৫-১২:০৫ ঃ অৰূপ কুমাৰ শৰ্মা
  অধ্যাপক, আই আই টি গুৱাহাটী
- ১২:০৫-১২:২৫ ঃ উপস্থিত অংশগ্ৰহণকাৰীৰ মন্তব্য
- ১২:২৫-১:০৫ ঃ ড° যোগেন্দ্ৰ নাথ শৰ্মা
  প্ৰাক্তন অধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়
- ১:০৫-১:২৫ ঃ উপস্থিত অংশগ্ৰহণকাৰীৰ মন্তব্য
- ১:২৫-১:৩০ ঃ শলাগৰ শৰাই
- ১:৩০-২:০০ ঃ মধ্যাহ্ন আহাৰ গ্ৰহণ

Scanned with CamScanner



# Krishna Kanta Handiqui National Award

2018

## Krishna Kanta Handiqui State Open University
## Assam

## PROGRAMME (3.00PM to 5.00PM)

December 11, 2018 (Tuesday)

| | | |
|---|---|---|
| 3.00 – 3.05PM | : | Borgeet |
| 3.05 – 3.10PM | : | Lighting of the Lamp |
| 3.10 – 3.20PM | : | Felicitation of the Guests |
| 3.20 – 3.30PM | : | Welcome Address |
| 3.30 – 3.45PM | : | Speech from the Media Advisor to CM, Sjt. Hrishikesh Goswami |
| 3.45 – 3.55PM | : | Presentation of the Award |
| 3.55 – 4.05PM | : | Presentation of Scholarship to Female Civil Services Aspirants |
| 4.05 – 4.20PM | : | Speech from the K K Handiqui National Awardee, 2018 Professor Amaresh Datta |
| 4.20 – 4.45PM | : | Speech from the Hon'ble Chief Minister of Assam, Sjt. Sarbananda Sonowal |
| 4.45 – 4.50PM | : | Vote of thanks |
| 4.50 – 5.00PM | : | Light Refreshment |

*Venue*

India Club, AT Road, Dibrugarh

A Humble Request : Please be seated before 10 minute of the scheduled time.

## *Invitation*

*Krishna Kanta Handiqui State Open University*
*cordially invites you to the presentation of*
*Krishna Kanta Handiqui National Award, 2018*
*to*
*Professor Amaresh Datta, Renowned Shakespearian Scholar*
*on December 11, 2018*
*on the occassion of the 13th Foundation Day of the University.*

*The Hon'ble Chief Minister of Assam Sjt. Sarbananda Sonowal has kindly consented to be the Chief Guest and the Media Advisor to CM Sjt. Hrishikesh Goswami to be the Guest of Honour in this presentation ceremony.*

*With regards*

*Arupjyoti Choudhury*
*Registrar*



**Professor Amaresh Datta :** An eminent Professor of English in Gauhati University, Dr. Datta has made a significant contribution to the Indian Literature by acting as the Chief Editor of the *Encyclopaedia of Indian Literature*. He is a celebrated Shakespearian scholar and poet, well-known for his two books, *Shakespeare's Tragic Vision and Art* and *Captive Moments*– the former a study of Shakespeare's tragedies and romances and the latter a collection of poems. Prof. Datta received the prestigious K.C. Das Commerce College National Teacher Award in 2011. Prof. Nagen Saikia Saraswat Nyas Parishad (NSSNP) conferred on Prof. Datta its literary award *Saraswat Sanman* in 2016. Prof. Datta was awarded D Litt by Dibrugarh University and Assam University, Silchar. Professor Emeritus of Gauhati University, Dr. Datta also served as Professor in the Dept. of English in Dibrugarh University.

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গুৱাহাটী ● অসম


## —— সাদৰ নিমন্ত্ৰণ ——

অসমৰ বিভিন্ন প্ৰান্তত খোৱাপানী আৰ্চেনিক আৰু ফ্ল'ৰাইডযুক্ত হোৱাৰ ফলত যি ভয়াৱহ স্বাস্থ্য সমস্যাত একাংশ লোক নিতৌ ভুগিব লাগিছে, সি নিশ্চয় আপোনালোক সকলোৰে জ্ঞাত। বিষয়টোৰ জটিলতা আৰু সংবেদনশীলতাৰ প্ৰতি লক্ষ্য ৰাখি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে— **এক অৱহেলিত যুদ্ধ (A Neglected Battle)**— শীৰ্ষক এখন তথ্যচিত্ৰ নিৰ্মাণ কৰি উলিয়াইছে। বিশ্ববিদ্যালয়খনে আশা কৰিছে যে উচ্চ শিক্ষাৰ সামাজিক দায়বদ্ধতাৰ চানেকিৰূপে নিৰ্মাণ কৰি উলিওৱা এই তথ্যচিত্ৰই সমাজৰ বিভিন্নজনক এই সমস্যাটোৰ গভীৰতা সম্পৰ্কত সচেতন কৰি তুলিব আৰু এই সমস্যাটো সমাধানৰ বাবে এক কাৰ্যকৰী সূত্ৰ উলিয়াবলৈয়ো সংশ্লিষ্ট সকলোকে অনুপ্ৰাণিত কৰিব।

বিশ্ববিদ্যালয়খনে অহা ২৭ ফেব্ৰুৱাৰী, ২০১৮ (মঙলবাৰ) বিয়লি ৩:৩০ বজাত জ্যোতিচিত্ৰবনৰ চৌহদৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত উক্ত তথ্যচিত্ৰৰ এক বিশেষ প্ৰদৰ্শনীৰ আয়োজন কৰিছে। এই অনুষ্ঠানত উপস্থিত থাকি দৰ্শকৰ সৈতে মত-বিনিময় কৰিব আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক শ্ৰীযুত জাহ্নু বৰুৱাদেৱে। উক্ত অনুষ্ঠানলৈ আপোনাক সাদৰেৰে নিমন্ত্ৰণ কৰিলো।

ভৱদীয়—

অৰূপজ্যোতি চৌধুৰী
ভাৰপ্ৰাপ্ত পঞ্জীয়ক

তথ্যচিত্ৰ প্ৰদৰ্শনীৰ স্থান ঃ
ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহ, জ্যোতিচিত্ৰবন
কাহিলিপাৰা, গুৱাহাটী
দিনাংক ঃ ২৭ ফেব্ৰুৱাৰী, ২০১৮ (মঙলবাৰ)
সময় ঃ বিয়লি ৩:৩০

# অচ্যুত লহকৰ সোঁৱৰণী নাট্যসন্ধ্যা

মহোদয়,

আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ বাটকটীয়া, মঞ্চপ্ৰভাকৰ অচ্যুত লহকৰদেৱৰ প্ৰতি শ্ৰদ্ধা জনাই তেখেতৰ মৃত্যু দিৱস ১২ জুন তাৰিখে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে যোৱা বছৰৰ পৰা 'অচ্যুত লহকৰ সোঁৱৰণী নাট্যসন্ধ্যা' উদ্‌যাপন কৰিবলৈ লৈছে। যোৱা বছৰ টংলাৰ *দাপোন দ্যা মিৰ'ৰ* নাট্যদলটোৱে ***কিনো কওঁ-২*** শীৰ্ষক নাটকখন মঞ্চস্থ কৰি এই নাট্যসন্ধ্যাৰ শুভাৰম্ভ কৰিছিল। এই বছৰ অনুষ্ঠিত হ'বলগীয়া নাট্যসন্ধ্যাটিত অসমৰ আন এটি উল্লেখযোগ্য নাট্যদল গোৱালপাৰাৰ **বাদুংডুপ্পাই** শুক্ৰাচাৰ্য ৰাভাৰ পৰিচালনাৰে ***ৰথেৰ ৰছী*** শীৰ্ষক নাটকখন মঞ্চস্থ কৰিব।

উক্ত নাট্যসন্ধ্যালৈ আপোনাক/আপোনাসৱক সাদৰেৰে নিমন্ত্ৰণ জনালোঁ। আপোনালোকৰ উপস্থিতিয়ে আমাৰ এই প্ৰচেষ্টাক সাফল্যমণ্ডিত কৰি তুলিব। ধন্যবাদ সহকাৰে —

**অৰূপজ্যোতি চৌধুৰী**
*ভাৰপ্ৰাপ্ত পঞ্জীয়ক*
*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়*

**স্থান ঃ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী ● সময় ঃ ৬.৩০ বজা**
**দিনাঙ্ক ঃ ১২ জুন , ২০১৮ ● নাটকৰ দৈৰ্ঘ্য ঃ ৬০ মিনিট**

**প্ৰৱেশ বিনামূলীয়া**

# অচ্যুত লহকৰ সোঁৱৰণী

# নাট্যসন্ধ্যা

টংলাৰ

দাপোন দ্যা মিৰ'ৰৰ নিৱেদন

# কিনো কওঁ-২

পৰিকল্পনা আৰু পৰিচালনা ঃ পৰিত্ৰ ৰাভা

স্থান ঃ ৰবীন্দ্ৰ ভৱন, গুৱাহাটী
দিনাঙ্ক ঃ ১২ জুন, ২০১৭

*আয়োজক*

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, গুৱাহাটী

*সহযোগী*

সাংস্কৃতিক সঞ্চালকালয়, অসম



## অচ্যুত লহকৰ

১৯৩০ চনৰ ৯ জুলাইত বৰপেটা জিলাৰ পাঠশালাত জন্মগ্ৰহণ কৰা অচ্যুত লহকৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰাতঃস্মৰণীয় নাম। লহকৰক অসমৰ ভ্ৰাম্যমাণ নাট্য-আন্দোলনৰ বাটকটীয়া বুলি গণ্য কৰা হয়। ১৯৫৯ চনত 'নটৰাজ থিয়েটাৰ' নামেৰে এটি থিয়েটাৰ দল গঠন কৰি তেওঁ ৰাজ্যত নাটকৰ এক নতুন ধাৰাৰ সৃষ্টি কৰিছিল। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য আৰু অনুপ্ৰেৰণাৰে সমৃদ্ধ এইগৰাকী সমাজ সচেতন নাট্যকাৰ-পৰিচালকে অসমীয়া পূৰ্ণাংগ নাটকক সৰলতা আৰু সাৰ্বজনীনতাৰে সংপৃক্ত কৰিছিল। ভ্ৰাম্যমাণ মঞ্চত থিয়েটাৰস্কোপ, চিনে-থিয়েটাৰ, ত্ৰিপল্ ছেগমেণ্ট মঞ্চ, ঘূৰ্ণায়মান মঞ্চ আদিৰ দৰে উদ্ভাৱনীমূলক কৌশল প্ৰয়োগৰ কৃতিত্বও লহকৰৰ প্ৰাপ্য। লোক আৰু ধ্ৰুপদী নাটকৰ বুদ্ধিদীপ্ত মিশ্ৰণেৰে লহকৰে নাটকক সাধাৰণ ৰাইজৰ পদূলিলৈ লৈ গৈছিল। তেওঁৰ প্ৰয়াসে অসমৰ জনগণক সাংস্কৃতিক ঐক্য আৰু ভ্ৰাতৃত্ববোধেৰে বান্ধি পেলাইছিল। 'অজেয় ভিয়েটনাম', 'ঊষা', 'আমি হেনো মানুহ নহয়', 'আল্লা-ঈশ্বৰ' আদি নাটকৰ জৰিয়তে অচ্যুত লহকৰে ৰাষ্ট্ৰীয় সংহতি, সাম্প্ৰদায়িক সমন্বয় তথা সামাজিক ন্যায় প্ৰতিষ্ঠাৰ দিশত থকা তেওঁৰ ঐকান্তিক আগ্ৰহ প্ৰতিফলিত কৰিছিল। বিশ্ব দৰবাৰত একক, অনন্য আৰু অভিনৱ নাট্যধাৰাৰ প্ৰৱৰ্তক অচ্যুত লহকৰৰ উদ্ভাৱনী শক্তি, ত্যাগ আৰু কৰ্মৰাজিৰ সময়ে এদিন সঠিক মূল্যায়ন কৰিব বুলি আমি নিশ্চিত।

## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

'বাধাৰ প্ৰাচীৰ নেওচি শিক্ষাৰ বিস্তাৰ' মূলমন্ত্ৰৰে ২০০৫ চনত অসম চৰকাৰৰ পৃষ্ঠপোষকতাত স্থাপিত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ইতিমধ্যে সফলতাৰে এটা দশক অতিক্ৰম কৰিলে। গুণগত শিক্ষা প্ৰদানৰ লগতে সামাজিক দায়বদ্ধতাৰ কথা মনত ৰাখি বিশ্ববিদ্যালয়খনে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আমি সকলোৱে জানোঁ যে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ বাটকটীয়া হ'ল অচ্যুত লহকৰ। এইজনা মহান অসমীয়াই যোৱা বছৰ ১২ জুন তাৰিখে নশ্বৰদেহা ত্যাগ কৰি পৰলোকলৈ গমণ কৰিছিল। ভ্ৰাম্যমাণ থিয়েটাৰক অসমৰ এক উদ্যোগৰূপে গঢ়ি তোলা এইজনা ব্যক্তিৰ স্মৃতি যুগমীয়া কৰাৰ আপাহেৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে এই বছৰৰ পৰা তেওঁৰ মৃত্যু-বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি 'অচ্যুত লহকৰ সোঁৱৰণী নাট্যসন্ধ্যা'ৰ আয়োজন কৰিবলৈ ঠিৰাং কৰিছে। প্ৰত্যেক বছৰে ১২ জুন তাৰিখে অসম তথা ভাৰতৰ কোনো নাট্যদলক নাটক পৰিৱেশন কৰিবলৈ আমন্ত্ৰণ জনাই এই নাট্যসন্ধ্যা উদ্‌যাপন কৰা হ'ব। এই বছৰ প্ৰথম পদক্ষেপ হিচাপে বিশ্ববিদ্যালয়ে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত সন্ধিয়া ৬.১৫ বজাৰ পৰা আয়োজন কৰা এই নাট্যসন্ধ্যাত নাটক পৰিৱেশন কৰিবলৈ নিমন্ত্ৰণ জনাইছে টংলাৰ নাট্যদল "দাপোন দ্যা মিৰ'ৰ"ক।

## নাটকখনৰ বিষয়ে একাষাৰ

# কিনো কওঁ-২

কিনো কওঁ নাটকখনে সমাজে জাপি দিয়া হীনমন্যতাৰ অন্ধকাৰক প্ৰকট কৰাৰ লগতে নিখুঁত আৰু খুঁত থকা ব্যক্তিৰ মাজৰ তথাকথিত প্ৰভেদবোধক প্ৰশ্ন কৰিছে। মানৱ সভ্যতাই নিঃসন্দেহে আধুনিকীকৰণ আৰু বিশ্বায়নৰ মাজেৰে উন্নতিৰ দিশে গতি কৰি আছে। তথাপি উন্নতিৰ পোহৰে স্পৰ্শ নকৰা দুৰ্বৰ্ণিত এমুঠি মানুহ ৰৈ গৈছে। তেওঁলোকৰ বাবে আমি অশোভনীয় শব্দ ব্যৱহাৰ কৰোঁ, বাওনা (The Dwarf) বুলি হাঁহো। আমি তেওঁলোকৰ প্ৰতি অন্য গ্ৰহৰ প্ৰাণীৰ দৰে আচৰণ কৰোঁ। আমাৰ নাটকখনে এইসকল লোকৰ বাস্তৱ, জটিলতা, দুখ-যন্ত্ৰণা, হেঁপাহ আৰু সপোনক প্ৰতিফলিত কৰিছে।



## দাপোন- দ্য মিৰ'ৰৰ বিষয়ে একাষাৰ

অভিনেতা, পৰিচালক, সংগীতজ্ঞ পৱিত্ৰ ৰাভাৰ উদ্যম আৰু দিক্ নিৰ্দেশনাত ২০০৩ চনৰ ১৭ ছেপ্টেম্বৰত ওদালগুৰি জিলাৰ টংলাত "দাপোণ- দ্য মিৰ'ৰ" নামৰ অনুষ্ঠানটিৰ জন্ম হৈছিল। ইয়াৰ প্ৰধান উদ্দেশ্য হ'ল দেশৰ সাংস্কৃতিক ঐতিহ্যৰ পৃষ্ঠপোষকতা, প্ৰচাৰ আৰু সংৰক্ষণ কৰাৰ লগতে দেশত চলা থিয়েটাৰ আন্দোলনৰ বিশেষ পোষকতা কৰা তথা এই আন্দোলক সবল কৰি তোলা। এই উদ্দেশ্য ফলৱতী কৰাৰ বাবে টংলাত দুই একৰ মাটিত গঢ়ি তোলা হৈছে 'দাপোন সাংস্কৃতিক পৰিসৰ'। ২৫ গৰাকী তৰুণ আৰু উৎসাহী শিল্পীয়ে 'দাপোণ'ৰ কাম-কাজ আন্তৰিকতাৰে আগবঢ়াই লৈ গৈ আছে। 'দাপোণ'ৰ এটা শাখাৰ নাম 'খিল-খিলাই'। 'খিল-খিলাই'-এ মূলতঃ 'শিক্ষাত থিয়েটাৰ' বিষয়ত মনোনিৱেশ কৰে আৰু শিশুৰ সৰ্বাংগীন উন্নতীৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰে। 'দাপোণ'ৰ দিক্ নিৰ্দেশনাত গুণীৰাম ৰাভাৰ নেতৃত্বত ছজনীয়া শিল্পীৰ দল এটাই ওজাপালি অনুষ্ঠান পৰিৱেশন কৰে। 'দাপোণ'ৰ সবাতোকৈ উল্লেখনীয় কৃতি হ'ল বিশেষভাৱে সক্ষম এমুঠি লোকৰ বাবে হাতত লোৱা অভিলাষী প্ৰকল্প 'থিয়েটাৰ এণ্ড ভোকেশ্যানেল ট্ৰেইনিং ফ'ৰ ডৱাৰ্ফচ্'। অসমৰ বিভিন্ন প্ৰান্তৰ সৃজনশীল প্ৰতিভাৰ অধিকাৰী বাওনা লোকসকলৰ ইতিবাচক সঁহাৰিয়ে প্ৰকল্পটো সফল কৰি তুলিছে। 'দাপোণ'-এ স্থাপন কৰা 'আমাৰ গাঁও' সকলো সৃজনশীল প্ৰতিভাৰ অধিকাৰী বাওনা লোকৰ বসবাসৰ বাবে মুকলি।



## পৰিচালকৰ বিষয়ে একাষাৰ

টংলাৰ নভগুাত জন্ম লাভ কৰা পৱিত্ৰ ৰাভাই ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ পৰা অভিনয় বিষয়ত স্নাতকোত্তৰ ডিপ্ল'মা লাভ কৰিছে। ভাৰত আৰু বিদেশৰ বিভিন্ন মঞ্চত অভিনয় কৰাৰ অভিজ্ঞতাৰে পুষ্ট ৰাভাই নিজৰ আৰু ভাৰতৰ সমগ্ৰ উত্তৰ-পূৱ অঞ্চলৰ সুপ্ত প্ৰতিভাবোৰক বিচাৰি উলিওৱাৰ মানসেৰে টংলাত "দাপোন- দ্য মিৰ'ৰ" নামৰ নাট্যদলটি গঠন কৰে। তেওঁ শিশু আৰু যুৱচামৰ প্ৰতিভা বিকাশত বিশেষ মনোযোগ দি আহিছে। অসমীয়া, নাগামিজ, আও, গাৰো, কক্-বৰক্, হিন্দী, কন্নড়, বাংলা, ৰাভা আৰু বড়ো ভাষাৰ বহুকেইখন নাটক পৰিচালনা কৰা আৰু নাটকৰ লগত সম্পৰ্কীত বিভিন্ন দিশত পৰিকল্পকৰ ভূমিকা লোৱা পৱিত্ৰ ৰাভাই অভিনয় কৰা চলচিত্ৰ কেইখনমান হ'ল 'মেৰীক'ম', 'টেংগ' চাৰ্লি', 'মুখ্‌বিৰ', অধ্যায় ((শ্ৰেষ্ঠ অভিনেতা, ৰাজ্যিক চলচিত্ৰ বঁটা ২০১৩), 'মিছ্‌ন চাইনা', 'আলিফা' ইত্যাদি। সংগীত জগতলৈ ৰাভাই আগবঢ়োৱা বহুমূলীয়া অৱদান দুটা হ'ল উত্তৰ-পূৱ ভাৰতৰ জনজাতীয় বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি প্ৰস্তুত কৰা সংগীতানুষ্ঠান 'ৰিদম্ অব ফ'ৰেষ্ট' আৰু আটাইবোৰ অঞ্চলৰ পৰম্পৰাগত লোকপৰিৱেশ্য কলাৰ সমাহাৰেৰে সৃষ্ট বিশেষ অনুষ্ঠান 'দ্য ৰিদম্ অব বৰদৈচিলা'। পৱিত্ৰ ৰাভাৰ শিল্পী জীৱনৰ অনন্য কৃতি হ'ল বিশেষভাৱে সক্ষম লোক(বাওনা)ৰ বাবে পাতনি মেলা দীৰ্ঘম্যাদী প্ৰকল্প 'থিয়েটাৰ এণ্ড ভোকেশ্যনেল ট্ৰেইনিং ফ'ৰ ডৱাৰ্ফচ্' আৰু সকলো সৃজনশীল এনে ব্যক্তিৰ বাবে মুকলি থকা এখন গাঁও, যিখনৰ নাম 'আমাৰ গাঁও'। এই কৰ্মৰাজীৰ বাবে পৱিত্ৰ ৰাভাই ইতিমধ্যে ২০১২ চনত সংগীত নাটক অকাডেমীয়ে প্ৰদান কৰা 'ওস্তাদ বিচমিল্লাহ খান যুৱ পুৰস্কাৰ' তথা CNN IBN আৰু ৰিলায়েন্স ফাউণ্ডেচন-এ প্ৰদান কৰা Real Hero বঁটাও লাভ কৰিছে।

## নাটকৰ শিল্পীসকল

**মঞ্চত**

তৰাচনা মহিলাৰী, নয়ন দৈমাৰী, দিলীপ কাকতি, ৰঞ্জিত দাস, গণেশ বসুমতাৰী, পৃথিবীৰাজ ৰাভা, কমল সিংহ, চিবিৰিণা দৈমাৰী, ৰঞ্জু বৈশ্য, জ্যোতিপ্ৰসাদ ৰাজবংশী, ধন দাস, মেক্স তিকী, জিতুমণি ৰাভা, কপিল ৰাভা, কল্যাণী ৰাভা, চনশ্ৰী বড়ো, হিমাশ্ৰী শৰ্মা, ইন্দিৰা লামা, ৰাঘৱ ৰয়

**মঞ্চৰ আঁৰত**

দিপু ৰাভা, নয়নজ্যোতি বড়ো, বিনোদ ৰাভা, বলেন ভৰালী, ৰতন শৰ্মা

**পৰিকল্পনা আৰু পৰিচালনা**

পৱিত্ৰ ৰাভা



# Krishna Kanta Handiqui National Award
and
# Krishna Kanta Handiqui National Fellowship

2017

Krishna Kanta Handiqui State Open University

# PROGRAMME (3.00PM to 5.15PM)

December 11, 2017 (Monday)

| | | |
|---|---|---|
| 3.00 – 3.05PM | : | National Anthem |
| 3.05 – 3.10PM | : | Lighting of the Lamp |
| 3.10 – 3.20PM | : | Felicitation of the Guests |
| 3.20 – 3.30PM | : | Welcome Address |
| 3.30 – 3.40PM | : | Speech from the Media Advisor to CM, Sjt. Hrishikesh Goswami |
| 3.40 – 3.50PM | : | Presentation of the Award and the Fellowship |
| 3.50 – 3.55PM | : | Presentation of Scholarship to Female Civil Services Aspirants |
| 3.55 – 4.05PM | : | Speech from the K K Handiqui National Awardee, 2017 Sjt. Harishankar Brahma |
| 4.05 – 4.15PM | : | Speech from the K K Handiqui National Fellow Sri Anshu Jamsenpa |
| 4.15 – 4.25PM | : | Speech from the K K Handiqui National Fellow Sri Sarmistha Pritam |
| 4.25 – 4.45PM | : | Speech from the Hon'ble Chief Minister of Assam, Sjt. Sarbananda Sonowal |
| 4.45 – 5.05PM | : | Speech from the Hon'ble Governor of Assam & the Chancellor, KKHSOU Prof. Jagdish Mukhi |
| 5.05 – 5.10PM | : | Vote of thanks |
| 5.10 – 5.15PM | : | National Anthem |

*(The programme will be followed by a light refreshment)*

*Venue*

Pragjyoti ITA Centre, Machkhowa, Guwahati

A Humble Request : Please be seated before 15 minute of the scheduled time.

## *Invitation*

*Krishna Kanta Handiqui State Open University*
*cordially invites you to the presentation of*
*Krishna Kanta Handiqui National Award, 2017*
*to*
*Harishankar Brahma, Former Chief Election Commissioner of India*
*and*
*Krishna Kanta Handiqui National Fellowship, 2017 jointly to*
*Anshu Jamsenpa and Sarmistha Pritam*
*on December 11, 2017*
*on the occassion of the 12th Foundation Day of the University.*

*The Hon'ble Governor of Assam and Chancellor, KKHSOU*
*Prof. Jagdish Mukhi has kindly consented to be the Chief Guest,*
*the Hon'ble Chief Minister of Assam Sjt. Sarbananda Sonowal to be the Guest of Honour*
*and the Media Advisor to CM Sjt. Hrishikesh Goswami to be the Special Guest*
*in this presentation ceremony.*

*With regards*

*Arupjyoti Choudhury*
*Registrar-in-charge*



**Harishankar Brahma** is a retired IAS Officer of 1975 batch and is a former Chief Election Commissioner of India. He is the first person from the State of Assam and second person from the North-East India to hold that post.



**Anshu Jamsenpa** is a renowned mountaineer from Bomdilla who climed the Mt. Everest twice in her second and third expedition within a time span of just ten days. She holds the record of fastest double ascents of the tallest peak by a woman.



**Sarmistha Pritam** is a winner of the prestigious Munin Borkotoki Literary Award 2012, started her carrier as a regular writer in Assamese magazines and newspapers. Her book, *Sarmisthar Atmakatha* is based on her own life and is well received by general readers and critics as well. Despite being specially able, she has faced the challange with courage and conviction.